**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। আফগানিস্তানৰ ৰাজধানী কাবুলৰ এখন চিকিৎসালয়ত যোৱা নিশা পাকিস্তানে আকাশমাৰ্গেৰে চলোৱা আক্ৰমণত কমেও ৪০০ জন লোকৰ মৃত্যু হয়।

২। ৰে'ল মন্ত্ৰ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ অনুদানৰ বাবে দাবী সন্দৰ্ভত লোকসভাত আজি অধিক আলোচনা অনুষ্ঠিত হোৱাৰ লগতে ভোটগ্ৰহণ হ'ব।

৩। ৰাষ্ট্ৰপতি ভৱনত থকা অমৃত উদ্যান আজিৰে পৰা জ্যেষ্ঠ নাগৰিকৰ বাবে বিশেষভাৱে মুকলি কৰা হ'ব।

৪। **ৱান বেটেল আফ্‌টাৰ এনাডাৰ** চলচ্চিত্ৰখনে ৯৮ সংখ্যক অস্কাৰ বঁটাত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ সন্মান অৰ্জন কৰিছে। ***আৰু***

৫। ফ্ৰান্সত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব।

০০০০০

আফগানিস্তানৰ ৰাজধানী কাবুলৰ এখন চিকিৎসালয়ত যোৱা নিশা পাকিস্তানে আকাশমাৰ্গেৰে চলোৱা আক্ৰমণত কমেও ৪০০ জন লোকৰ মৃত্যু হোৱাৰ লগতে অন্য প্ৰায় আঢ়ৈশ লোক আহত হয়। তালিবান চৰকাৰৰ মুখপাত্ৰ জাবিহুল্লাহ মুজাহিদে প্ৰকাশ কৰা অনুসৰি আক্ৰমণত চিকিৎসালয়খনৰ অধিক অংশ ধ্বংসস্তূপত পৰিণত হয়। আহত লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ আশংকাও প্ৰকাশ কৰে। তেওঁ কয়, যে পাকিস্তানৰ সৈন্যবাহিনীয়ে পুনৰ এবাৰ আফগানিস্তানৰ আকাশী সীমা উলংঘন কৰিছে। আক্ৰমণত নিচামুক্তি চিকিৎসালয়খন লক্ষ্য কৰি লোৱা হয় বুলি তেওঁ প্ৰকাশ কৰে। আফগানিস্তান আৰু পাকিস্তান উভয়ে সীমাত গুলীচালনা কৰাৰ  কিছু সময়ৰ পাছতে এই আক্ৰমণৰ ঘটনা সংঘটিত হয়।

০০০০০

ৰে'ল মন্ত্ৰ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ অনুদানৰ বাবে দাবী সন্দৰ্ভত লোকসভাত আজি অধিক আলোচনা অনুষ্ঠিত হোৱাৰ লগতে ভোটগ্ৰহণ হ'ব। কালি আলোচনাৰ আৰম্ভণি কৰি কংগ্ৰেছৰ তাৰিক আনোৱাৰে অভিযোগ কৰে যে চৰকাৰে নিজৰ লক্ষ্য পূৰণত ব্যৰ্থ হৈছে। তেওঁ কয়, যে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ৩৩৭টা ষ্টেচনৰ ভিতৰত মাত্ৰ ১৬০টা ষ্টেচনত পুনৰ উন্নয়নৰ কাম সম্পন্ন হৈছে। বিজেপিৰ গণেশ সিঙে কয়, যে বিগত ১০ বছৰত দেশৰ ৰে'লপথত উল্লেখযোগ্য পৰিৱৰ্তন হৈছে। তেওঁ কয়, যে নতুন প্ৰযুক্তিৰ প্ৰৱৰ্তন কৰা হৈছে আৰু ৰে'লৰে নেটৱৰ্ক সম্প্ৰসাৰণ কৰা হৈছে। পূৰ্বে ২০১৩-১৪ বৰ্ষত ৰে'ল বাজেট মাত্ৰ ৬৩ হাজাৰ কোটি টকা আছিল কিন্তু বৰ্তমান ৰে'ল বাজেট ২ লাখ ৭৮ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে বুলি শ্ৰীসিঙে উল্লেখ কৰে।

০০০০০

ৰাষ্ট্ৰপতি ভৱনত থকা অমৃত উদ্যান আজিৰে পৰা জ্যেষ্ঠ নাগৰিকৰ বাবে বিশেষভাৱে মুকলি কৰা হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল, দিল্লী আৰক্ষীৰ জ্যেষ্ঠ নাগৰিক কোষ আদিৰ সহযোগত সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে এই সুবিধা প্ৰদান কৰিব। মন্ত্ৰালয়ে কয়, যে জ্যেষ্ঠ নাগৰিকসকলক অমৃত উদ্যানৰ সৌন্দৰ্য অনুভৱ কৰোৱাৰ লগতে সামাজিক আৰু বিনোদনমূলক কাম-কাজত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। জ্যেষ্ঠ নাগৰিকসকলৰ অমৃত উদ্যানত এই ভ্ৰমণ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যাতায়াতৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। ইয়াৰ দ্বাৰা জ্যেষ্ঠ নাগৰিকসকলে অমৃত উদ্যানৰ ঋতুভিত্তিক ফুল, শস্য আৰু বিভিন্ন অংশৰ সৌন্দৰ্য উপভোগ কৰিব পাৰিব।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলেছৰ ডল্‌বি থিয়েটাৰত কালি ৯৮ সংখ্যক অস্কাৰ বঁটাসমূহ প্ৰদান কৰা হয়। এইবেলি **ৱান বেটেল আফ্‌টাৰ এনাডাৰ** শীৰ্ষক চলচ্চিত্ৰখনে শ্ৰেষ্ঠ চলচ্চিত্ৰৰ লগতে অন্যান্য ৫টা শিতানত শ্ৰেষ্ঠত্ব অৰ্জন কৰে। চলচ্চিত্ৰখনৰ পৰিচালক প'ল থ'মাছ এণ্ডাৰছনেও পৰিচালকৰ শিতানত শ্ৰেষ্ঠত্বৰ অস্কাৰ অৰ্জন কৰে। ইপিনে **ছিনাৰ্ছ** নামৰ চলচ্চিত্ৰখনত কৰা অভিনয়ৰ বাবে মাইকেল বি জৰ্ডানে আৰু **হেমনেট** নামৰ চলচ্চিত্ৰখনত কৰা অভিনয়ৰ বাবে জেছি বাক্‌লেইক শ্ৰেষ্ঠ অভিনেতা আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান অৰ্জন কৰে।

ooooo

ডোহাত থকা ভাৰতীয় দূতাবাসে জানিবলৈ দিয়া অনুসৰি কাটাৰ এয়াৰৱেজৰ বিমানযোগে কালি প্ৰায় এহেজাৰ এশগৰাকী ভাৰতীয় যাত্ৰীয়ে নতুন দিল্লী, মুম্বাই, কোচি আদি গন্তব্যস্থানলৈ যাত্ৰা কৰিছে। কাটাৰত থকা ভাৰতীয় দূতাবাসে প্ৰকাশ কৰা অনুসৰি এই গন্তব্যস্থানসমূহলৈ আজিৰ বাবেও বিমান সেৱাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ লগতে কোৱা হৈছে যে, কাটাৰ এয়াৰৱেজে কাইলৈৰ পৰা আহমেদাবাদ, অমৃতসৰ, বেংগালুৰু, চেন্নাই, দিল্লী, হায়দৰাবাদ, কোচি, মুম্বাই আদি ঠাইলৈ বিমান সেৱা আগবঢ়াব। ভাৰতীয় দূতাবাসে প্ৰকাশ কৰা অনুসৰি বিমানৰ টিকেট বুক্ কৰিবলৈ আৰু এই সম্পৰ্কীয় শেহতীয়া তথ্যৰ বাবে ইচ্ছুক যাত্ৰীসকলে কাটাৰ এয়াৰৱেজৰ ৱেবছাইট বা এপ চাব পাৰিব, নাইবা ট্ৰেভেল এজেণ্টৰ সৈতে যোগাযোগ কৰিব পাৰিব। কাটাৰ এয়াৰৱেজৰ বিমানেৰে ভাৰতলৈ উভতি যাব বিচৰা ট্ৰেনজিট আৰু হ্ৰস্বম্যাদী ভিছাৰে দেশখনত থকা লোকসকলে দূতাবাসে অতি সোনকালে পঞ্জীয়ন লিংক বন্ধ কৰি দিব। ইয়াৰ জৰিয়তে যাত্ৰীসকলক তেওঁলোকৰ ভ্ৰমণ ব্যৱস্থাৰ বাবে কাটাৰ এয়াৰৱেজৰ সৈতে পোনপটীয়াকৈ অধিক যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

যদিহে কাটাৰত হ্ৰস্বম্যাদী ভিছাৰে বাবে আবদ্ধ হৈ থকা ভাৰতীয় নাগৰিকসকলে ছৌদি আৰবৰ মাজেৰে ভাৰতলৈ উভতি আহিব বিচাৰে, তেন্তে ছৌদি আৰবৰ বাবে অস্থায়ী ট্ৰেনজিট ভিছাৰ সুবিধা অব্যাহত ৰখা হ'ব বুলি দূতাবাসে প্ৰকাশ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কালি ব্ৰাছেলছত ইউৰোপীয় সংঘৰ দেশসমূহৰ বৈদেশিক মন্ত্ৰীসকলক সাক্ষাৎ কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে ইউৰোপীয় আয়োগৰ উপ-সভাপতি কাজা কল্লাছক বৈদেশিক পৰিক্ৰমা পৰিষদৰ এই বৈঠকলৈ তেওঁক আমন্ত্ৰণ জনোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে

কয় যে চলিত বৰ্ষত ভাৰত আৰু ইউৰোপীয় সংঘৰ সম্পৰ্কৰ এটা নতুন অধ্যায়ৰ সূচনা হৈছে। তেওঁ কয় যে বৈদেশিক মন্ত্ৰীসকলে বিভিন্ন চুক্তিসমূহক বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰক সমন্বয়কৰ ভূমিকা পালন কৰে। এই বৈঠকত বিশেষকৈ বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, প্ৰতিৰক্ষা আদি বিষয় সামৰি লোৱা হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে এই বৈঠকৰ জৰিয়তে সাম্প্ৰতিক গোলকীয় প্ৰেক্ষাপটত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্কও ত্বৰান্বিত হয়। কালিৰ বৈঠকৰ পশ্চিম এছিয়াৰ সংঘাত, ইউক্ৰেইনৰ পৰিস্থিতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল সন্দৰ্ভতো বিশেষ আলোচনা কৰা হয় বুলি ড° জয়শংকৰে প্ৰকাশ কৰে।

এই বৈঠকৰ আপাহতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে জাৰ্মানী, শ্লোভাকিয়া, গ্ৰীচ আৰু নেডাৰলেণ্ডছৰ বিদেশ মন্ত্ৰী ক্ৰমে জোহান ৱাডেপহুল, জুৰাজ ব্লানাৰ, জিঅৰ্গছ জেৰাপেট্ৰিটিছ আৰু টম বেৰেণ্ডচেনক সাক্ষাৎ কৰে। সাক্ষাৎকালত ভাৰত আৰু জাৰ্মানীৰ বিদেশ মন্ত্ৰী দুয়োগৰাকীয়ে পশ্চিম এছিয়াৰ সংঘাত সন্দৰ্ভত মত বিনিময় কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে জাৰ্মানীৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জৰ ভাৰত ভ্ৰমণৰ পাছত হোৱা দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰো বুজ লয়। আকৌ, সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয় যে ভাৰতত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ বিষয়ক সন্মিলনৰ বাবে শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিনীৰ ভাৰত ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্কত নতুন গতি প্ৰদান কৰিছে। দেশখনৰ বিদেশ মন্ত্ৰীগৰাকীৰ সৈতে ড° জয়শংকৰে উৎপাদন, প্ৰতিৰক্ষা আৰু মহাকাশৰ ক্ষেত্ৰত সহযোগিতা অধিক বৃদ্ধি কৰাকে ধৰি বিভিন্ন দ্বিপাক্ষিক কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰে। ইপিনে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ গ্ৰীচৰ বিদেশ মন্ত্ৰীৰ সৈতে হোৱা কথা-বতৰাত কূটনৈতিক উপস্থিতি বৃদ্ধি, সংযোগ শক্তিশালী কৰা, বাণিজ্যৰ প্ৰসাৰ আদি বিষয়ত গুৰুত্ব দিয়ে। পশ্চিম এছিয়াৰ সংঘাতৰ প্ৰতিক্ৰিয়াৰ বিষয়েও দুয়োগৰাকীয়ে আলোচনা কৰে বুলি তেওঁ প্ৰকাশ কৰে। কালিৰ সাক্ষাৎকালত ড° জয়শংকৰে নেদাৰলেণ্ডছৰ বৈদেশিক মন্ত্ৰী টম বেৰেণ্ডচেনক শেহতীয়াকৈ এই পদ লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সাক্ষাৎকালত দুয়োগৰাকী মন্ত্ৰীয়ে অৰ্ধপৰিবাহী, কৃত্ৰিম বুদ্ধিমত্তা, পানী ব্যৱস্থাপনা আৰু অন্যান্য অত্যাধুনিক প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াই নিয়াৰ বিষয়ে আলোচনা কৰে।

০০০০০

পশ্চিম বংগত বিধানসভা নিৰ্বাচনৰ সময়ত নিৰাপত্তা কটকটীয়া কৰাৰ বাবে প্ৰযুক্তি-চালিত নিৰীক্ষণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। ৰাজ্যখনৰ আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰত ৱেব কাষ্টিং বাধ্যতামূলক কৰা হৈছে। কোনো কেন্দ্ৰত ৱেব কাষ্টিং অবিহনে ভোটগ্ৰহণ কৰা হ'লে তেনে কেন্দ্ৰত পুনৰ নিৰ্বাচনৰ সিদ্ধান্ত বিবেচনা কৰা হ'ব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ৰাজ্যখনৰ নিৰ্বাচনী ইতিহাসত প্ৰথমবাৰৰ বাবে বৃহৎ সমাৱেশ বা স্পৰ্শকাতৰ অঞ্চলসমূহত পৰিস্থিতি নিৰীক্ষণৰ বাবে ড্ৰ'ন ব্যৱহাৰ কৰা হ'ব। নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি ৰাজ্যখনৰ ৫৫টা বিধানসভা সমষ্টিক ইতিমধ্যে স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰা হৈছে। সামগ্ৰিক নিৰ্বাচনী পৰিস্থিতিৰ তদাৰক কৰিবলৈ মুখ্য কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়ত এটা ৰাজ্যিক পৰ্যায়ৰ নিয়ন্ত্ৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰি ৰাজ্যখনত প্ৰথমবাৰৰ বাবে এটা "পৰ্যবেক্ষক কোষ"ৰ সৃষ্টি কৰা হৈছে আৰু ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াক এই কোষৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এই কোষৰ অধীনত বিষয়াসকলে

নিৰ্বাচনৰ কামত নিয়োজিত অন্যান্য পৰ্যবেক্ষকসকলৰ কাম-কাজৰ পৰ্যালোচনা কৰিব। আয়োগৰ ঘোষণা অনুসৰি ৰাজ্যখনৰ ২৯৪টা বিধানসভা সমষ্টিৰ প্ৰতিটোতে এগৰাকীকৈ সাধাৰণ পৰ্যবেক্ষক থাকিব। আয়োগে প্ৰকাশ কৰা অনুসৰি ৰাজ্যখনৰ ২৮খন আৰক্ষী জিলা আৰু ৬টা আয়ুক্তৰ কাৰ্যালয়ত দুগৰাকীকৈ আৰক্ষী পৰ্যবেক্ষকক নিযুক্তি দিয়া হ'ব। ইপিনে বৃহৎ মহানগৰ হোৱাৰ পৰিপ্ৰেক্ষিতত কলকাতাত অতিৰিক্ত পৰ্যবেক্ষক নিয়োগ কৰা হ'ব। ৰাজ্যখনৰ বয়োজ্যেষ্ঠ আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলক সহায় কৰাৰ বাবেও এটা সুকীয়া কোষৰ সৃষ্টি কৰা হৈছে।

00000

বিজেপিৰ সঞ্জয় ভাটিয়া আৰু কংগ্ৰেছৰ কৰমবীৰ সিং বৌধ হাৰয়ানাৰ পৰা ৰাজ্যসভাৰ দুখন আসনৰ বাবে নিৰ্বাচিত হৈছে। কালি দুয়োখন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। বিভাগীয় কৰ্তৃপক্ষই জনোৱা মতে ৫টা ভোট অগ্ৰাহ্য কৰা হয়। ইয়াৰে ৪টা কংগ্ৰেছৰ আৰু এটা বিজেপিৰ ভোট। বিজেপিৰ সঞ্জয় ভাটিয়া কংগ্ৰেছৰ কৰমবীৰ সিং বৌধ আৰু নিৰ্দলীয় প্ৰাৰ্থী সতীশ নন্দনে দুয়োখন আসনৰ বাবে অৱতীৰ্ণ হৈছিল। হাৰয়ানা বিধানসভাত দুগৰাকী সদস্য থকা আই এন এল ডিয়ে ভোটদানৰ পৰা বিৰত থাকে। উল্লেখযোগ্য যে হাৰয়ানা বিধানসভাত ৪৮টা গৰাকী বিজেপিৰ বিধায়ক ৩৭ গৰাকী কংগ্ৰেছৰ বিধায়ক, দুগৰাকী আই এন এল ডিৰ বিধায়ক আৰু তিনিগৰাকী নিৰ্দলীয় বিধায়ক আছে।

00000

ফ্ৰান্সত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ চুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাত জ্যেষ্ঠ খেলুৱৈ কিদাম্বী শ্ৰীকান্ত তথা উদীয়মান খেলুৱৈ আয়ুষ ছেট্টি আৰু তনভী শৰ্মাই ভাৰতৰ প্ৰত্যাশাৰ ভাৰ বহন কৰিব। অৱশ্যে বিগত সপ্তাহত অনুষ্ঠিত চুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ সময়ত হোৱা কান্ধৰ বিষৰ বাবে এইচ এছ্ প্ৰণয়ে অৰ্লিনছ মাষ্টাৰ্ছৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। দেশৰ তাৰকা খেলুৱৈদ্বয় লক্ষ্য সেন আৰু পি ভি সিন্ধুৱেও এই প্ৰতিযোগিতাখনত অংশ লোৱাৰ পৰা বিৰত আছে। প্ৰতিযোগিতাৰ মিক্সড ডাবলছত টানিছা ক্ৰাষ্ট' আৰু ধ্ৰুৱ কপিলাই দেশলৈ সন্মান কঢ়িয়াই অনাৰ আপ্ৰাণ প্ৰয়াস চলাব।

00000

সমাপ্ত